समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ – ৫

সম্পদ

অংশ – ৪

জ্যোতি দাস

শিকনৰ ফলাফল

- সম্পদ আৰু উন্নয়নৰ সম্বন্ধ সম্পৰ্কে জানিব পাৰিব।
- সম্পদৰ সংৰক্ষণৰ বিষয়ে জানিব পাৰিম।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



সম্পদৰ সংৰক্ষণ

- প্ৰাকৃতিক সম্পদসমূহক ৰক্ষণাৱেক্ষণ দিয়াটোৱেই সম্পদৰ সংৰক্ষণ।
- এতিয়া পৃথিৱীত গছ-গছনি, বন্যপ্ৰাণী আৰু অৰণ্যৰ পৰিমাণ ব্যাপক হাৰত কমি গৈছে।
- বতৰৰ অস্বাভাৱিক পৰিৱৰ্তনত কৃষি, উদ্যোগ, শিল্প, ব্যৱসায় আদিত বহুতো সমস্যাৰ সৃষ্টি হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- বৰ্ধিত জনসংখ্যাৰ বাবে সীমিত প্ৰাকৃতিক সম্পদৰ নাটনিৰ সমস্যাই দেখা দিছে।
- বৰ্তমান আমি সম্মুখীন হোৱা এনে এক অৱস্থা বা পৰিৱেশৰ বাবে সম্পদৰ সংৰক্ষণ অতি প্ৰয়োজন।



সম্পদ সংৰক্ষণৰ ব্যৱস্থা

- এখন দেশৰ সম্পদসমূহ উপযুক্তভাৱে সংৰক্ষণ কৰিবলৈ কিছু নীতি মানি চলাটো প্ৰয়োজন।
- সম্পদ সংৰক্ষণৰ এনে নীতি আৰু আচৰণবিধিসমূহ মূলতঃ এনেধৰণৰ —

(ক) সম্পদৰ সদ্ব্যৱহাৰৰ বাবে পৰিকল্পনা কৰা।

(খ) সম্পদৰ ভাণ্ডাৰ আৰু মানুহৰ প্ৰয়োজনৰ মাজত সমতা ৰক্ষা কৰি চলা।

(গ) সম্পদ আৰু পৰিৱেশ ৰক্ষাৰ হকে সচেতনতা সৃষ্টি কৰা আৰু তেনে কার্যক উৎসাহিত কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- আমাৰ সম্পদসমূহ সদ্ব্যৱহাৰ কৰি ভৱিষ্যতলৈ সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তা আছে।
- আমি প্ৰাকৃতিক সম্পদসমূহ বিভিন্ন প্ৰকাৰে সংৰক্ষণ কৰিব পাৰোঁ।
- পানী, ভূমি আৰু শক্তি সম্পদ কেনেধৰণে সংৰক্ষণ কৰিব পাৰি তাৰ এক নমুনা তলৰ তালিকাত দেখুওৱা হৈছে —

পানী সংৰক্ষণৰ ব্যৱস্থা

- ৰৰষুণৰ পানী জমা কৰি পুনৰ ব্যৱহাৰৰ ব্যৱস্থা কৰা।
- ঘৰুৱা আৰু ঔদ্যোগিক উভয় ক্ষেত্ৰতে পানী ব্যৱহাৰত মিতব্যয়ী হোৱা।
- ঘৰুৱা কিছুমান কামত পানী পুনৰ ব্যৱহাৰ কৰি পানী সংৰক্ষণ কৰা ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



শক্তি সংৰক্ষণৰ বাবে

- সৌৰশক্তি, পৰমাণু শক্তি আদি বৈকল্পিক শক্তি সম্পদক দৈনন্দিন প্রয়োজনীয় শক্তি হিচাপে ব্যৱহাৰ কৰা।
- শক্তি আহৰণত ইন্ধনৰ অপব্যয় নকৰা।
- উত্তম, কর্মক্ষম ইন্ধন ব্যৱহাৰ কৰা।
- যথাসম্ভৱ কম পৰিমাণে জীৱাশ্ম ইন্ধন ব্যৱহাৰ কৰা ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভূমি সংৰক্ষণৰ বাবে

- প্ৰাকৃতিকভাৱে মাটিৰ উৰ্বৰতা বৃদ্ধি কৰি প্ৰয়োজনীয় খাদ্যশস্য উৎপাদন কৰা।
- ৰাসায়নিক সাৰ ব্যৱহাৰ নকৰি জৈৱিক খেতিক অগ্ৰাধিকাৰ দিয়া ।
- ভূমিক্ষয় প্ৰতিৰোধী উদ্ভিদ ৰোপণ কৰা

সম্পদ আৰু উন্নয়ন

- বৰ্তমানে প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগেৰে প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰি অধিক উৎপাদন লাভ কৰিব পৰা হৈছে।
- যান্ত্ৰিক শক্তিৰে বৃহৎ পৰিমাণত অধিক উৎপাদন কৰিবলৈ লোৱাৰ ফলত প্ৰাকৃতিক সম্পদৰ অত্যধিক ব্যৱহাৰ হোৱা আমি দেখিবলৈ পাইছো।



- ভবিষ্যতে প্রযুক্তিগত দিশৰ উন্নয়নৰ ক্ষেত্রত অধিক সম্পদৰ উদ্‌ঘাটন আৰু ব্যৱহাৰ কৰিলে সমস্যাৰ সৃষ্টি হ'ব।
- মানুহৰ প্রগতি আৰু অর্থনৈতিক বিকাশৰ বাবে প্রকৃতিত থকা সম্পদৰাজিৰ সদ্ব্যৱহাৰ কৰাটো এক গুৰুত্বপূর্ণ কথা।
- ভৱিষ্যতেও যাতে এনে সম্পদৰাজিৰ ব্যৱহাৰ সম্ভৱ হৈ থাকে, সেইক্ষেত্রত সচেতনতা গঢ়ি উঠা প্রয়োজন।



- বাঁহ, কাঠ আদিকে ধৰি বহুকেইবিধ সম্পদ মানুহৰ অত্যধিক ব্যৱহাৰৰ ফলত কমি যোৱাৰ বাবে বহুতো সমস্যাৰ সৃষ্টি হৈছে।
- হয়তো এনেবোৰ সম্পদ কমি গৈ গৈ এদিন নিঃশেষ হ'ব।
- সেয়েহে এনে সম্পদৰাজিৰ ভৱিষ্যৎ ব্যৱহাৰ আৰু দীর্ঘম্যাদী উন্নয়নৰ হকে যথাযথ সংৰক্ষণ কৰাটো গুৰুত্বপূর্ণ।



মাটি সম্ভাৱনাপূৰ্ণ প্ৰাকৃতিক সম্পদ। সাৱধানে মাটি পৰিকল্পিতভাৱে ব্যৱহাৰ কৰিলে বৰ্তমানত অধিক উৎপাদন কৰাৰ লগতে ভৱিষ্যতলৈ এনে সম্পদে উন্নতিসাধনত সহায় কৰে।

মূল্যায়ন



1 | প্রাকৃতিক সম্পদ সমূহক ৰক্ষণাবেক্ষণ দিয়াটোৱে সম্পদৰ .....সংৰক্ষণ.....।



মূল্যায়ন



2 | সম্পদৰ দীৰ্ঘমাদী উন্নয়ন মানে -

ক সম্পদৰ সংৰক্ষণ

খ সম্পদৰ যথাযত ব্যৱহাৰ

গ ওপৰৰ দুয়োটাই

মূল্যায়ন



3 | বৰষুণৰ পানী জমা কৰাটো পানী পুনৰ ব্যৱহাৰৰ ব্যৱস্থা।



ক শুদ্ধ

খ অশুদ্ধ